জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩৮/২০২৩**

# গীনিজ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ডত স্থান লাভ অসম চৰকাৰৰ

## মুখ্যমন্ত্ৰী ড° শৰ্মাই আনুষ্ঠানিকভাৱে গ্ৰহণ কৰিলে প্ৰমাণপত্ৰ

## অসমৰ বৰ্ণাঢ্য সভ্যতা আৰু সংস্কৃতিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ বাবে সিদ্ধান্ত লৈছে ৰাজ্য চৰকাৰে ঃ মুখ্যমন্ত্ৰী

**■ গুৱাহাটীৰ আৰক্ষী অধীক্ষকৰ পুৰণি ভৱনৰ স্থানত নিৰ্মিয়মান উদ্যানত স্থাপন কৰা হ'ব শৰাইঘাট ৰণৰ স্মাৰক**

**■ বাগৰুম্বা নৃত্য, সত্ৰীয়া নৃত্য আৰু খোল বাদনেৰে অভিলেখ স্থাপনৰ উদ্যোগো পৰৱৰ্তী পৰ্যায়ত লোৱা হ'ব**

**দিছপুৰ, ০৯ মাৰ্চ ঃ** মহাবীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্মজয়ন্তী উদ্‌যাপনৰ লগত সংগতি ৰাখি অসম চৰকাৰে সকলো শ্ৰেণীৰ লোকক জড়িত কৰি মহাবীৰগৰাকীৰ বিষয়ে ৰচনা লিখাৰ বাবে লোৱা উদ্যোগে গীনিজ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ডত স্থান লাভ কৰিছে। লাচিত বৰফুকন বিষয়ক সৰ্বমুঠ ৪২ লাখ ৯৪ হাজাৰ ৩৫০ খন ৰচনাৰে কৰা অভিলেখৰ বাবে অসম চৰকাৰলৈ আগবঢ়োৱা হৈছে এই স্বীকৃতি। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনৰ মুখ্যমন্ত্ৰীৰ সভাগৃহত অনুষ্ঠিত এক অনুষ্ঠানত গীনিজ ৱৰ্ল্ড ৰেকৰ্ড কৰ্তৃপক্ষৰ বিষয়া স্বপ্নীল ডাংৰিকৰৰ পৰা 'হাতে লিখা ৰচনাৰ সৰ্ববৃহৎ অনলাইন ফটো এলবাম' শীৰ্ষক শিতানত অসম চৰকাৰে অৰ্জন কৰা অভিলেখৰ প্ৰমাণপত্ৰ আনুষ্ঠানিকভাৱে গ্ৰহণ কৰে।

উল্লেখ্য যে মহাবীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্মজয়ন্তী বৰ্ষজোৰা কাৰ্যসূচীৰে উদ্‌যাপনৰ লগত সংগতি ৰাখি ৰাজ্য চৰকাৰে মহাবীৰগৰাকীৰ বিষয়ে নিজ পছন্দৰ যিকোনো ভাষাত ৰচনা লিখি এই উপলক্ষে প্ৰস্তুত কৰা ৱেব প'ৰ্টেল আৰু এপ্‌ত ৰচনাসমূহ আপলোড কৰাৰ বাবে জনসাধাৰণক আহ্বান জনাইছিল। ৰাজ্য চৰকাৰৰ এই আহ্বানলৈ সঁহাৰি জনাই বিগত বৰ্ষৰ ২৬ অক্টোবৰৰ পৰা ২৬ নৱেম্বৰৰ মাজনিশা পৰ্যন্ত এই ৱেব প'ৰ্টেল আৰু এপ্‌ত ৪৫ লাখ ৩৪ হাজাৰ ৮১৮ খন ৰচনা আপলোড হৈছিল। ইয়াৰে ৪২ লাখ ৯৪ হাজাৰ ৩৫০ খন ৰচনাক গীনিজ ৱৰ্ল্ড ৰেকৰ্ড কৰ্তৃপক্ষই যথাযোগ্য হিচাপে বাছনি কৰি বিশ্ব অভিলেখৰ স্বীকৃতি প্ৰদান কৰিছে। মুঠ ২৩ টা ভাষাত লিখিত এই ৰচনাসমূহৰ ভিতৰত সৰ্বাধিক ৰচনা আপলোড হৈছে অসমীয়া ভাষাত। অসমীয়া ভাষাত ৩৫ লাখ ৯০ হাজাৰ ৯১৮ খন ৰচনাৰ বিপৰীতে ইংৰাজী ভাষাত ৪ লাখ ৫ হাজাৰ ৬১৭ খন, বাংলা ভাষাত ২ লাখ ৪৭ হাজাৰ ৭৩৩ খন, বড়ো ভাষাত ১ লাখ ২০ হাজাৰ ৪১৭ খন, হিন্দী ভাষাত ৩২ হাজাৰ ৪৬৩ খন ৰচনা জনসাধাৰণে আপলোড কৰিছিল। তেনেদৰে মণিপুৰী, মাৰ, কাৰ্বি, নেপালী, চাওতালী, সংস্কৃত, আৰবী, ডিমাছা, পাৰ্চি, উৰ্দু, তাই, বিষ্ণুপ্ৰিয়া,

ৰাভা আদি ভাষাৰ উপৰি তেলেগু আৰু কোৰিয়ান ভাষাতো এনে ৰচনা লিখি জনসাধাৰণে আপলোড কৰিছিল।

এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই আজিৰ দিনটো অসমবাসীৰ বাবে এটা গৌৰৱৰ দিন বুলি অভিহিত কৰি কয় যে মহাবীৰ লাচিত বৰফুকনৰ ৪০০ সংখ্যক জন্মজয়ন্তী বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰাৰ বাবে বঙাইগাঁৱত অনুষ্ঠিত কেবিনেট বৈঠকত সিদ্ধান্ত লোৱা হৈছিল আৰু ২০২২ চনৰ ২৫ ফেব্ৰুৱাৰীত তদানীন্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দে বৰ্ষজোৰাকৈ উদ্‌যাপন হ'বলগীয়া এই কাৰ্যসূচী আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিছিল। মুখ্যমন্ত্ৰীয়ে কয় যে মহাবীৰ লাচিতৰ জন্মজয়ন্তী উদ্‌যাপনৰ কাৰ্যসূচীত ৰাজ্যৰ প্ৰতিগৰাকী ব্যক্তিকে জড়িত কৰাৰ বাবে ৰাজ্য চৰকাৰে চিন্তা-চৰ্চা কৰিছিল আৰু ইয়াৰ আধাৰতে সকলো স্তৰৰ ব্যক্তিৰ পৰা বীৰগৰাকীৰ বিষয়ে ৰচনা লিখাৰ বাবে আহ্বান জনোৱা হৈছিল। মুখ্যমন্ত্ৰীয়ে সদৰি কৰে যে অসমীয়াভাষী লোকৰ উপৰি ৰাজ্যত বাস কৰা বাংলা, বড়ো, কাৰ্বি, গাৰো, হিন্দী ভাষা-ভাষীৰ লোকসকলে এই আহ্বানলৈ সঁহাৰি জনাই ৰচনা লিখা কাৰ্যত অংশীদাৰ হৈ পৰিছিল।

লাচিত বৰফুকনৰ জন্মজয়ন্তী উদ্‌যাপনৰ সময়ছোৱা সমগ্ৰ অসমত একপ্ৰকাৰ জাতীয় উৎসৱলৈ ৰূপান্তৰিত হৈছিল বুলি মন্তব্য কৰি তেওঁ কয় যে বিগত বৰ্ষৰ ২৩, ২৪ আৰু ২৫ নৱেম্বৰত নতুন দিল্লীত আয়োজিত অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণেও অংশগ্ৰহণ কৰিছিল। ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ দৰে সাংবিধানিক শীৰ্ষপদত অধিস্থিত ব্যক্তি এই অনুষ্ঠানত জড়িত হৈ পৰাটো জাতিটোৰ বাবে এক গৌৰৱৰ ক্ষণ আছিল বুলিও তেওঁ অভিহিত কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সেই অনুষ্ঠানত যোগদান কৰি প্ৰদান কৰা ভাষণটোৱে প্ৰতিগৰাকী অসমীয়াৰ হৃদয় স্পৰ্শ কৰিবলৈ সক্ষম হৈছিল। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই ঐতিহাসিক শৰাইঘাটৰ ৰণ আৰু এই যুদ্ধৰ নেপথ্যত থকা বহু ঘটনা এতিয়াও লোকচক্ষুৰ আঁৰত ৰৈ আছে বুলি মন্তব্য কৰে। তেওঁ কয় যে এই সন্দৰ্ভত প্ৰামাণিক তথ্য থকাৰ পিছতো সেই সময়ত সংঘটিত বহু ঘটনাক লৈ গৱেষণা হোৱা নাই। যাৰ বাবে এই যুদ্ধত জড়িত বীৰসকলক ৰাজ্যবাসীয়ে যিমান কৃতজ্ঞতা জ্ঞাপন কৰিব লাগিছিল সিমান কৰিব পৰা নাই। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে নতুন দিল্লীত লাচিতৰ ৪০০ বছৰীয়া জন্মজয়ন্তী উদ্‌যাপনৰ পিছত দেশৰ অন্যান্য প্ৰান্তত মহাবীৰগৰাকীৰ বিষয়ে জনাৰ উৎসুকতা বৃদ্ধি পাইছে। তেওঁ কয় যে এজন ব্যক্তিয়ে অদম্য সাহসেৰে কিদৰে আগ্ৰাসনকাৰীসকলক পৰাভূত কৰিছিল সেই কথা অসমে বিশ্ববাসীৰ আগত ইমান দিনে প্ৰচাৰ কৰিব পৰা নাছিল। লাচিত বৰফুকনৰ জন্মজয়ন্তী উদ্‌যাপনে বীৰগৰাকীৰ বিষয়ে দেশৰ অন্যান্য প্ৰান্তত প্ৰচাৰ কৰাত যথেষ্ট সহায় কৰিছে বুলিও তেওঁ কয়। প্ৰকৃততে অসমে নিজৰ বৰ্ণাঢ্য ইতিহাসকে ধৰি বিভিন্ন কথা বিশ্বৰ অন্য প্ৰান্তৰ জনসাধাৰণৰ সন্মুখত উপযুক্তভাৱে উপস্থাপন কৰা নাই বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ বৰ্ণাঢ্য সভ্যতা আৰু সংস্কৃতিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত লৈছে। আলাবৈ ৰণৰ স্থলী আৰু লাচিত বৰফুকনৰ সমাধিৰ সংৰক্ষণ আৰু সংবৰ্দ্ধন কৰি সেই স্থান পৰ্যটন ক্ষেত্ৰলৈ ৰূপান্তৰকৰণৰ কাম ইতিমধ্যে আৰম্ভ হৈছে বুলিও তেওঁ কয়। তেওঁ লগতে জানিবলৈ দিয়ে যে লাচিত বৰফুকনৰ ১৫০ ফুট ওখ মূৰ্তি স্থাপনৰ কাম আগন্তুক এবছৰৰ ভিতৰত সম্পূৰ্ণ হ'ব। তেনেদৰে আলাবৈ ৰণৰ স্মৃতিসৌধ নিৰ্মাণ অহা ২ বছৰৰ ভিতৰত সম্পূৰ্ণ কৰি

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

জনসাধাৰণৰ বাবে মুকলি কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে সদৰি কৰে যে গুৱাহাটীৰ পাণবজাৰস্থিত আৰক্ষী অধীক্ষকৰ পুৰণি ভৱনৰ স্থানত যি উদ্যান নিৰ্মাণ কৰি থকা হৈছে তাত শৰাইঘাট ৰণৰ স্মাৰক স্থাপন কৰা হ'ব আৰু সেই স্মাৰকত ঐতিহাসিক যুদ্ধখনত ভাগ লোৱাৰ প্ৰামাণিক তথ্য থকা সকলো বীৰৰ নাম লিপিবদ্ধ থাকিব যাতে মহাবীৰ লাচিতৰ লগতে তেওঁৰ লগত থকা খ্যাত-অখ্যাত বীৰসকলৰ প্ৰতি ৰাজ্যবাসীয়ে যথাযোগ্য সন্মান আগবঢ়াব পাৰে। ড° শৰ্মাই কয় যে লাচিত বৰফুকনক বিশ্ব দৰবাৰৰ প্ৰতিষ্ঠা আৰু চৰাইদেউৰ মৈদামক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰূপে স্বীকৃতি প্ৰদানৰ প্ৰচেষ্টাৰ পিছত ৰাজ্য চৰকাৰে এতিয়া অহা ১৪ এপ্ৰিলত বিহু নৃত্যৰে অভিলেখ স্থাপনৰ উদ্যোগ লৈছে। অনুৰূপ ধৰণে বাগৰুম্বা নৃত্য, সত্ৰীয়া নৃত্য আৰু খোল বাদনেৰে অভিলেখ স্থাপনৰ উদ্যোগো পৰৱৰ্তী পৰ্যায়ত লোৱা হ'ব বুলিও তেওঁ সদৰি কৰে।

মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাই আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানটোত মন্ত্ৰী কেশৱ মহন্ত, চন্দ্ৰমোহন পাটোৱাৰী, ডাঃ ৰণোজ পেগু, অজন্তা নেওগ, ইউ জি ব্ৰহ্ম, পৰিমল শুক্লবৈদ্য, পীযুষ হাজৰীকা, সঞ্জয় কিষাণ, বিমল বড়া, সাংসদ ভুৱনেশ্বৰ কলিতা, মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব তথা সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা, বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, মানৱ ডেকা, কৌশিক ৰায়ৰ উপৰি বহুকেইগৰাকী শিল্পী-সাহিত্যিক, কেইবাটাও সংবাদ মাধ্যমৰ সম্পাদক, জ্যেষ্ঠ সাংবাদিক তথা ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়া উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**০৯/৩/২০২৩**